# সম্পাদকীয়

উদ্দীপনা আৰু নিৰ্দেশনা যোগোৱা এষাৰ উক্তি হৈছে, "আপুনি সদায় অনুপ্ৰাণিত হৈ নাথাকে, গতিকে আপুনি নিয়মানুৱৰ্তী হ'বলৈ শিকিব লাগিব।" আনহাতে, পূৰ্ণ উদ্যম আহিলেহে কাম একোটা খৰতকীয়াকৈ সম্পূৰ্ণ কৰাত লাগিম বুলি অপেক্ষা কৰি থকাতকৈ, যদি প্ৰতিদিনে এটা নিৰ্দিষ্ট সময় কামটোত লাগিবলৈ নিৰ্ধাৰিত কৰা থাকে আৰু বাধ্য হৈ তাক কৰিবলৈ চেষ্টা কৰা হয়, তেন্তে কামটো তুলনামূলকভাৱে সহজ হয়। কিন্তু কেৱল এইটোও নহয় যে অকল নিয়মানুৱৰ্তীতাই উন্নত সৃষ্টি সম্পন্ন কৰায়। বৰং লগত এক অনুপ্ৰেৰণাই সাধাৰণতে ক্ৰিয়া কৰিব লগা হয়।

শিক্ষা-ব্যৱস্থা হৈছে নিয়মানুৱৰ্তীতাপূৰ্ণ এটা ব্যৱস্থা। সেই প্ৰণালীটোত সোমোৱা একো একোজন সাধাৰণ ছাত্ৰ-ছাত্ৰীও এটা সময়ত নিৰ্ধাৰিত ধৰণৰ বেলেগ অৱস্থা এটাত উপনীত হয়গৈ। এই গতানুগতিক অৱস্থাটো লৈ উঠাৰ উপৰি অধিক সৃষ্টিক্ষম হ'বৰ বাবেই অনুপ্ৰেৰণা, বাহ্যিক সমল আদি যোগান ধৰা হয় বেলেগ বেলেগ উপাদানৰ জৰিয়তে। বিভিন্ন জনপ্ৰিয় অনুষ্ঠান, আলোচনা-চক্ৰ, আলোচনী, পাঠ্যপুথি বহিৰ্ভূত গ্ৰন্থ, শৈক্ষিক ক্লাৱ আদি এই উপাদানৰ অংশ। আৰু তেনে এক সমল হিচাপেই অসমীয়া ভাষাত প্ৰয়োজনীয় এটা বস্তু হৈছে গাণিতিক যুক্তিবিদ্যা (Mathematical logic) সম্পৰ্কীয় জনপ্ৰিয় ধাৰাৰ এখনি গ্ৰন্থ।

১৯৫৭ চনত ছোভিয়েট ইউনিয়নে মহাকাশলৈ 'স্পুটনিক ১' প্ৰেৰণ কৰি পৃথিৱীৰ কৃত্ৰিম উপগ্ৰহ স্থাপনত প্ৰথম হৈ সমগ্ৰ মানৱ জাতি তথা আমেৰিকাক আচৰিত কৰি দিয়াৰ কাহিনী অতি বিখ্যাত। একেদৰেই অতি বিখ্যাত এই কাহিনীও যে ছোভিয়েট ইউনিয়নৰ সেই সফলতাৰ লগে লগে আমেৰিকাই তাৰ শিক্ষা-ব্যৱস্থাৰ সম্পৰ্কে অধ্যয়নত লাগি গৈছিল আৰু পাইছিল যে নিজৰ পাঠ্যক্ৰম বৰ উন্নত নহয়। আমেৰিকাই গণিত আৰু বিজ্ঞান পঢ়িব বিচৰা ছাত্ৰ-ছাত্ৰীক কম সুদত ঋণ দিয়া আৰম্ভ কৰিছিল আৰু পাঠ্যক্ৰম উন্নত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। এই ব্যৱস্থাৰ এক প্ৰধান অংশ আছিল ছাত্ৰ-ছাত্ৰীয়ে কলেজ পৰ্যায় পোৱাৰ আগতেই গণিতত তেওঁলোকৰ বিচক্ষণতা বৃদ্ধিৰ চেষ্টা কৰা। আৰু ইয়াৰ বাবে লোৱা পদক্ষেপসমূহৰ এটা আছিল স্কুলীয়া পৰ্যায়ত গাণিতিক যুক্তিবিদ্যা যিমান পৰ্যাপ্ত পৰিমাণে পাৰি সিমান অন্তৰ্ভুক্ত কৰা। শৈক্ষিক শিবিৰসমূহত অধিক উচ্চ পৰ্যায়ৰ গাণিতিক যুক্তিবিদ্যাৰ পাঠ্যক্ৰমো তেওঁলোকে স্কুলীয়া ছাত্ৰ-ছাত্ৰীক আগবঢ়াইছিল।

যিহেতু একোটা সাধাৰণ শিক্ষা-ব্যৱস্থাত সকলো ধৰণৰ ছাত্ৰ-ছাত্ৰী থাকে, গতিকে বিভিন্ন কাৰণত আমাৰ ইয়াত গাণিতিক যুক্তিবিদ্যা সম্পৰ্কীয় কথা পাঠ্যক্ৰমত কিমান বেছি সংযোগ কৰিব পাৰি সেয়া চিন্তনীয়। সাধাৰণতে একোটি শিশুৱে এজন মানুহতকৈ দুজন মানুহ যে বেছি, বা সাতটা কলতকৈ আঠটা কল যে বেছি, সেই কথা নিজে নিজেও ধাৰণা কৰিব পৰা দৰে গণিতত ৰাপ থকা কিছু সংখ্যকে দুই-এটা গাণিতিক ধাৰণা স্বয়ংক্ৰিয়ভাৱে আয়ত্বলৈ আনি ল'ব পাৰে। কিন্তু প্ৰায়ভাগেই নোৱাৰে। উদাহৰণস্বৰূপে ধৰা হওক, $a > b$ যদি আৰু মাত্ৰ যদিহে $x < y$। ইয়াৰ দ্বাৰা একেষাৰে প্ৰমাণিত হয় যে $a \leq b$ যদি আৰু মাত্ৰ যদিহে $x \geq y$। গাণিতিক যুক্তিবিদ্যাৰ সৈতে পৰিচিত নোহোৱা বাবেই, এইটো প্ৰমাণিত হয় বুলি লগে লগে ভাবিবলৈ বা প্ৰমাণিত হয় বুলি জনাৰ পাছত আয়ত্ব কৰিবলৈ বহুতৰ সমস্যা হয়। গাণিতিক আৱেশ তত্ত্ব (Mathematical induction) প্ৰয়োগৰ ক্ষেত্ৰত কেৱল এটা অখণ্ড চলক থকা অতি সাধাৰণ অংকবোৰত ইয়াক বৰ পোনপটীয়া বা সৰল যেন লাগে। কিন্তু, দুটা অখণ্ড চলক যুক্ত হৈ থকা কথা একোটা প্ৰমাণ কৰিবলৈ যাওঁতে খেলিমেলিৰ সৃষ্টি হয়। বৈপৰীত্যৰ (contra-diction) দ্বাৰা প্ৰমাণৰ ক্ষেত্ৰত, প্ৰসিদ্ধ গণিতজ্ঞ হেনৰি ক'নে কৈছিল যে ই নবীনসকলৰ ক্ষেত্ৰত সঁচাকৈয়ে এক সমস্যা হৈ পৰে; তেওঁলোকে বৈপৰীত্য এটাত উপনীত হৈ প্ৰমাণটো সম্পূৰ্ণ কৰি দিয়ে, কিন্তু বৈপৰীত্যটোত যিদৰে উপনীত হয়গৈ তাৰ লগত প্ৰাৰম্ভিক ধৰি লোৱা উক্তিটোৰ কোনো সম্পৰ্ক নাই। এনেবোৰ কাৰণতে, সহজবোধ্য বিস্তৃত উদাহৰণ আৰু বিবিধ কাহিনী অন্তৰ্ভুক্ত কৰি, বুনিয়াদী গাণিতিক ধাৰণাসমূহ, গাণিতিক প্ৰমাণৰ বিভিন্ন ধৰণসমূহ আয়ত্ব কৰিব পৰাকৈ গাণিতিক যুক্তিবিদ্যা সম্পৰ্কীয় এখনি গ্ৰন্থ মাতৃভাষাত লিখাটো অতি দৰকাৰ।

— পংকজ জ্যোতি মহন্ত